# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-10-2025
**Time :** 21-25  Hrs

### ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

এগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে কাইলৈ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। কাইলৈ দিনৰ এঘাৰ বজাত গুৱাহাটী ৰাজভৱনত হ'বলগীয়া এটা অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই বি পি এফ দলৰ চৰণ বড়োক কেবিনেট মন্ত্ৰীৰূপে শপত বাক্য পাঠ কৰোৱাব।

০০০০

অসম প্ৰদেশ বিজেপিয়ে শিল্পী জুবিন গাৰ্গৰ প্ৰতি ন্যায় সুনিশ্চিত কৰাৰ বাবে সামাজিক মাধ্যমত **ময়ো জুবিন, আমিও জুবিন** শীৰ্ষক এটা ডিজিটেল প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি গুৱাহাটীত এই কথা প্ৰকাশ কৰি কয়, যে জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ তদন্ত স্বচ্ছ আৰু নিৰপেক্ষ হোৱাটো বিজেপি দলেও কামনা কৰে আৰু সেইবাবেই  সামাজিক মাধ্যমত এই অভিযান চলোৱাৰ সিদ্ধান্ত লোৱা হৈছে।

প্ৰদেশ বিজেপিয়ে নিজাববীয়াকৈ জুবিন গাৰ্গৰ স্মৃতিত আন কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অভিযান সম্পৰ্কত কয়,

**বাইট**

০০০০

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি সোণাপুৰৰ কমাৰকুছিৰ জুবিন গাৰ্গ ক্ষেত্ৰলৈ গৈ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ কাহিলিপাৰালৈ গৈ জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, পিতৃ মোহিনীমোহন বৰঠাকুৰ আৰু পৰিয়ালৰ আন  সদস্যসকলক সাক্ষাৎ কৰি জুবিন গাৰ্গৰ প্ৰতি থকা তেওঁৰ গভীৰ শ্ৰদ্ধা আৰু সহমৰ্মিতাৰ কথা প্ৰকাশ কৰে। পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত গান্ধীয়ে জুবিন গাৰ্গৰ  অকাল মৃত্যু কেৱল অসমবাসীৰ বাবেই নহয়, সমগ্ৰ দেশবাসীৰ বাবেই এটা বৃহৎ ক্ষতি বুলি অভিহিত কৰে। জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ পুংখানুপুংখ আৰু স্বচ্ছ তদন্ত হোৱাৰ ওপৰতো কংগ্ৰেছ নেতাগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে গ্ৰেপ্তাৰ কৰা কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীক  কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাৰ পাছত তেওঁলোকক হাফলং কাৰাগাৰলৈ নিয়া  হয়। আমাৰ হাফলঙৰ সংবাদদাতাই জনোৱা মতে,

ব্যাপক নিৰাপত্তাৰ মাজত তেওঁলোকক কাৰাগাৰলৈ কঢ়িয়াই নিয়া গাড়ী কেইখন সন্ধিয়া ৬ বাজি ১৫ মিনিটত হাফলঙ উপ কাৰাগাৰত উপস্থিত হয়। তেওঁলোকক সুকলমে কাৰাগাৰৰ ভিতৰত প্ৰৱেশ কৰোৱা হৈছে।

ইপিনে, যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত জিলাখনত কৰ্তন কৰা ম'বাইল ইণ্টাৰনেট সেৱা আজিৰে পৰা বাহাল কৰা হৈছে। অৱশ্যে জিলাখনত সান্ধ্য আইন আজিও অব্যাহত আছে আৰু নিকাছি কাৰাগাৰৰ সন্মুখৰ পথেৰে সৰ্বসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে।

ooooo

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত গঠন কৰা এজনীয়া ন্যায়িক আয়োগে এই ঘটনা সম্পৰ্কত তথ্য সংগ্ৰহৰ বাবে ৰাজহুৱা জাননী জাৰি কৰিছে। সেই অনুসৰি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কোনো লোকৰ হাতত কোনো তথ্য থাকিলে তেওঁলোকে শপতনামাৰ জৰিয়তে এই তথ্য আয়োগক জনাব পাৰিব। গুৱাহাটীৰ চানমাৰিৰ খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ কাৰ্যালয়ত থকা আয়োগৰ  কাৰ্যালয়ত অহা ৩ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰৰ দিনৰ চাৰে ১০ বজাৰ পৰা বিয়লি চাৰি বজাৰ ভিতৰত এনে তথ্য সম্বলিত শপতনামা দাখিল কৰিব পৰা যাব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

ooooo

অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে দীপাৱলী উপলক্ষে ২১ অক্টোবৰত কামৰূপ মহানগৰ জিলাত স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। একেদৰে বজালী আৰু ডিব্ৰুগড় জিলাতো ২১ অক্টোবৰত দীপাৱলীৰ  বাবে স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে।

ooooo

অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

**ঃঃ সমাপ্ত ঃঃ**